# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 14-02-2025
**Time :** 0900 Hrs

## *Assamese Morning Bulletin*
## *Headlines*

**- - - - - - - - - - - - - -**

১। ১০ লাখ কোটিৰ অৰ্থনীতি হোৱাৰ লক্ষ্যৰে বিনিয়োগ অনুকূল নীতিত নতুন ৰূপ প্ৰদান কৰা বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

২। ৰাজ্যত ২০২৫-২৬ শৈক্ষিক বৰ্ষৰ পৰা নম্বৰবিহীন শিক্ষা ব্যৱস্থা।

৩। কাইলৈ চলিত বছৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰম্ভ।

৪। মণিপুৰত ৰাষ্ট্ৰপতিৰ শাসন বলৱৎ।

*আৰু*

৫। ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহত ৩৪টা পদকেৰে অসমৰ অভিযানৰ সামৰণি

০০০০০

অসম চৰকাৰে ১০ লাখ কোটিৰ অৰ্থনীতি হোৱাৰ লক্ষ্যৰে বিনিয়োগ অনুকূল নীতিত নতুন ৰূপ প্ৰদান কৰিছে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। এডভাণ্টেজ আচাম বিনিয়োগ আৰু আন্তঃগাথনি সন্মিলনৰ দ্বিতীয় সংস্কৰণ সাফল্যমণ্ডিত কৰি তোলাৰ প্ৰয়াসৰ অংশহিচাপে তিনিদিনীয়া ভ্ৰমণসূচীৰে ছিংগাপুৰলৈ যোৱা মুখ্যমন্ত্ৰীগৰাকীয়ে ভ্ৰমণ কালত ছিংগাপুৰত দেশখনৰ আগশাৰীৰ উদ্যোগপতিৰ সৈতে হোৱা আলোচনাত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে অসমৰ সম্পদ আৰু ভৌগোলিক স্থিতিৰ সুবিধাৰে ৰাজ্যখনে দেশৰ অন্যতম বিকশিত ৰাজ্য হোৱাৰ বিশত আগুৱাই গৈছে। ৰাজ্যত ব্যৱসায় অনুকূল পৰিৱেশ সুদৃঢ় কৰাৰ বাবে নুমলীগড় সম্প্ৰসাৰণ, টাটা ছেমি কণ্ডাক্টৰ আৰু নামৰূপ সাৰ কাৰখানাৰ তিনিটা প্ৰকল্প সময়মতে ৰূপায়িত কৰাৰ বাবে চৰকাৰে নিষ্ঠাৰে কাম কৰি আছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। ভ্ৰমণ কালত ড° শৰ্মাই ছিংগাপুৰৰ উদ্যোগপতি আৰু বিনিয়োগকাৰীসকলৰ সন্মুখত অসমৰ ঔদ্যোগিক পৰিৱেশ, বিনিয়োগৰ সুবিধা আৰু সুচল ব্যৱস্থা সন্দৰ্ভত উপস্থাপন কৰে। তেওঁ লগতে বিনিয়োগকাৰীসকলক উপকৃত কৰিব পৰাকৈ ৰাজ্য চৰকাৰে লোৱা পদক্ষেপৰ বিষয়েও উল্লেখ কৰে। চৰকাৰে এতিয়ালৈকে ছিংগল উইণ্ডো ক্লিয়াৰেন্স ব্যৱস্থাৰে প্ৰায় আঢ়ৈ লাখ ব্যৱসায়িক প্ৰস্তাৱত অনুমোদন জনাইছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী শৰ্মাই ছিংগাপুৰৰ বিনিয়োগকাৰীসকলক অসমত বিনিয়োগ কৰিবলৈ আমন্ত্ৰণ জনায়। ভ্ৰমণ কালত মুখ্যমন্ত্ৰীয়ে ছিংগাপুৰলৈ অসমৰ পৰা যোৱা সেৱিকাসকলকো সাক্ষাৎ কৰে। ড° শৰ্মাই তেওঁলোকৰ সৈতে নাৰ্চিং শিক্ষা সম্প্ৰসাৰণৰ পৰিকল্পনাৰ বিষয়ে মত-বিনিময় কৰে।

০০০০০

ৰাজ্যিক শিক্ষা গৱেষণা পৰিষদে বিদ্যালয় শিক্ষা ব্যৱস্থাত আমূল পৰিৱৰ্তনৰ সূচনাৰে ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ আধাৰত ২০২৫-২৬ শৈক্ষিক বৰ্ষৰ বাবে ৰাজ্যত নম্বৰবিহীন শিক্ষা ব্যৱস্থা আৰম্ভ কৰিবলৈ সাজু হৈছে। ৰাজ্যিক শিক্ষা গৱেষণা পৰিষদৰ সঞ্চালক ড০ নিৰদা দেৱীয়ে এই কথা প্ৰকাশ কৰি কয় যে এই ব্যৱস্থাত শিক্ষাৰ্থীসকলে প্ৰাথমিক, অগ্ৰগতি, দক্ষ আৰু উন্নত এই চাৰিটা স্তৰত গ্ৰেড দিয়া হ'ব। এই ব্যৱস্থা প্ৰথম পৰ্যায়ত প্ৰথম আৰু দ্বিতীয় শ্ৰেণীত আৰম্ভ হ'ব আৰু পৰৱৰ্তী পৰ্যায়ত অষ্টম শ্ৰেণীলৈ নম্বৰবিহীন শিক্ষা ব্যৱস্থা প্ৰৱৰ্তন কৰা হ'ব। ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদে ইতিমধ্যে ৮ পৃষ্ঠাৰ শিক্ষাৰ্থীৰ সৰ্বাংগীন অগ্ৰগতিৰ খতিয়ান পঞ্জী অৰ্থাৎ ৰিপোৰ্ট কাৰ্ড প্ৰস্তুত কৰি উলিয়াইছে। বিদ্যালয়ত নামভৰ্তিৰ সময়ৰ পৰা প্ৰতি তিনি মাহৰ মূৰে মূৰে শিক্ষাৰ্থীৰ পৰ্যবেক্ষণৰ অন্তত ৰিপোৰ্ট কাৰ্ডত মান নিৰূপণ কৰা হ'ব। এই নম্বৰবিহীন ব্যৱস্থাৰ জৰিয়তে প্ৰতিযোগিতাৰ ক্ষেত্ৰত অধিক গুৰুত্ব আৰোপ কৰা হ'ব বুলি সঞ্চালকগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

ৰাজ্যৰ ৯৪৪টা পৰীক্ষা কেন্দ্ৰত কাইলৈ চলিত বছৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰম্ভ হ'ব। এইবাৰ মুঠ ৪লাখ ২৯ হাজাৰ ৪৪৮ গৰাকী পৰীক্ষাৰ্থী এই পৰীক্ষাত অৱতীৰ্ণ হ'ব। পৰিক্ষাৰ্থীৰ সংখ্যা বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি এইবাৰ ৩১টা অতিৰিক্ত পৰীক্ষা কেন্দ্ৰত পৰীক্ষা অনুষ্ঠিত হ'ব আৰু ৪২টা মূল্যায়ন কেন্দ্ৰত উত্তৰ বহী মূল্যায়ন কৰা হ'ব। পৰীক্ষা নিয়াৰিকৈ পৰিচালনাৰ বাবে ইতিমধ্যে সংশ্লিষ্ট জিলা আয়ুক্তসকলে কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। সেই অনুসৰি পৰীক্ষা কেন্দ্ৰৰ ১৫ মিটাৰ ব্যাসাৰ্দ্ধৰ ভিতৰত পৰিক্ষাৰ্থীৰ বাহিৰে আন লোকৰ প্ৰৱেশ নিষিদ্ধ, মোবাইল ফোন, স্মাৰ্ট ঘড়ী আদিকে ধৰি অন্যান্য ইলেকট্ৰনিক সামগ্ৰী ব্যৱহাৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে।

০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত কালি নিশা অহা ধুমুহা আৰু শিলাবৃষ্টিত বিস্তৰ ক্ষতি হোৱাৰ বাতৰি আমালৈ আহিছে। ডিব্ৰুগড় জিলাৰ টেঙাখাট অঞ্চলত ধুমুহা আৰু শিল-বৰষুণত ঘৰ-দুৱাৰ ক্ষতিগ্ৰস্ত হোৱাৰ লগতে গছ-গছনি আৰু বৈদ্যুতিক খুঁটা উভালি পৰাৰ ফলত যাতায়তৰ লগতে বিদ্যুৎ যোগান সেৱাও ব্যাহত হৈ পৰে। ক্ষতিগ্ৰস্ত ২৭টা পৰিয়ালক টেঙাখাট ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ পৰা টিনপাত যোগান ধৰা হয়। তিনিচুকীয়া জিলাৰ ডুমডুমা আৰু ডিগবৈ অঞ্চলত হোৱা শিলাবৃষ্টি আৰু ধুমুহাৰ ফলত ৰবি শস্যৰ ব্যাপক ক্ষতিসাধনৰ লগতে বহুকেইটা বাসগৃহৰ ক্ষতি হয়। ধুমুহাৰ ফলত বহু অঞ্চলত বিদ্যুৎ যোগান ব্যাহত হৈ পৰে। আহক আমি এই বিষয়ত সবিশেষ জানিবলৈ আমাৰ তিনিচুকীয়া জিলাৰ সংবাদদাতা মনোৰঞ্জন মৰাণৰ সৈতে সংযুক্ত হওঁ -

**-বাইট-**

চৰাইদেউ জিলাৰ মাহমৰাতো প্ৰচণ্ড ধুমহা আৰু শিলাবৃষ্টিৰ ফলত বিদ্যালয় গৃহকে ধৰি ৰবিশস্যৰ বিস্তৰ ক্ষতি হয়। ধুমুহাত জিলাখনৰ বৰবিল আৰু লেচাইহাবি ৰাজহুৱা প্ৰেক্ষাগৃহ দুটা বিধবস্ত হয়। জিলা আয়ুক্ত ড০ নেহা যাদৱে বানফেৰা অঞ্চলৰ ক্ষতিগ্ৰস্ত লোকসকলৰ পৰিস্থিতিৰ বুজ লৈ পৰিয়ালসমূহৰ মাজত টিৰপাল বিতৰণ কৰে।

ধেমাজি জিলাতো ধুমুহা বৰষুণত চিচিবৰ গাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত শতাধিক পৰিয়ালৰ ঘৰ-বাৰী ক্ষতিগ্ৰস্ত হোৱাৰ বাতৰি পোৱা গৈছে।

০০০০০

তথ্য প্ৰযুক্তি, বিজ্ঞান আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই কালি যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয় চৌহদত কেন্দ্ৰীয় চৰকাৰৰ ধৰিত্ৰী বিজ্ঞান মন্ত্ৰালয়ৰ অধীনৰ বতৰ বিজ্ঞান বিভাগৰ **এক্স বেণ্ড ৰেডাৰ ৰাডাৰ** কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰে। কেন্দ্ৰীয় চৰকাৰৰ মিছন মৌচমৰ অধীনত নিৰ্মাণ কৰিবলৈ লোৱা এই অত্যাধুনিক কৃষি বতৰ বিজ্ঞান ৰাডাৰ কেন্দ্ৰটো অহা এপ্ৰিলৰ ভিতৰত কাৰ্যক্ষম কৰি তোলাৰ প্ৰয়াস কৰা হ'ব। অহা ছমাহৰ ভিতৰত গোসাইগাঁও, তেজপুৰ আৰু শিলচৰতো এনে ধৰণৰ তিনিটা ৰাডাৰ কেন্দ্ৰ স্থাপন কৰা হ'ব বুলি বতৰ বিজ্ঞান কেন্দ্ৰটোৱে জানিবলৈ দিয়ে।

০০০০০

মন্ত্ৰীগৰাকীয়ে কালি যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ত তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত **কৃষি আৰু আনুষংগিক খণ্ডত বতৰ আৰু জলবায়ু ভিত্তিক সিদ্ধান্তৰ বাবে অগ্ৰণী প্ৰযুক্তি কৌশল** শীৰ্ষক ৰাষ্ট্ৰীয় সন্মিলন উদ্বোধন কৰে। অনুষ্ঠানত দিয়া ভাষণত শ্ৰীমহন্তই কৃষি ক্ষেত্ৰত বতৰ বিজ্ঞানৰ ভূমিকা আৰু শেহতীয়া তথ্য প্ৰযুক্তিৰ জৰিয়তে কৃষকক সকাহ দিয়াৰ বিষয়ত গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, যে দেশে যথোচিত মাত্ৰাত খাদ্য উৎপাদনৰ বাবে সঠিকভাৱে বতৰৰ ৰেহৰূপ নিৰ্ধাৰণ কৰাটো অতি প্ৰয়োজনীয়। এই অনুষ্ঠানতে কৃষি বতৰ বিজ্ঞান ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে বতৰ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক তথা বিজ্ঞানী ড০ কমলাকান্ত নাথ, ড০ ৰফিউল হুছেইন আৰু ড০ পূন্য গগৈ খনিকৰক সন্মান জনোৱা হয়। সন্মিলনত দেশৰ বিভিন্ন প্ৰান্তৰ কৃষি বিজ্ঞানী, বতৰ বিজ্ঞানী, জলবায়ু বিশেষজ্ঞ, প্ৰযুক্তিবিদ, গৱেষক তথা ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰিছে।

০০০০০

ৰাজ্যৰ গৃহ নিৰ্মানৰ অনুমতি লাভৰ ব্যৱস্থাটো সু-শৃংখলিত কৰাৰ উদ্দেশ্যে গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কালি অনলাইন গৃহ নিৰ্মাণৰ অনুমতি প্ৰণালী নামৰ ডিজিটেল মঞ্চ মুকলি কৰে। এতিয়াৰে পৰা নিৰ্মাণৰ অনুমতিৰ বাবে সকলো আৱেদন অনলাইন পৰ্টেলৰ জৰিয়তে দাখিল কৰিব লাগিব। গুৱাহাটীৰ খানাপাৰাৰ অসম প্ৰশাসনিক পদাধিকাৰী মহাবিদ্যালয়ত আয়োজিত এটা অনুষ্ঠানত ভাষণ দি মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কালি এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, এই মঞ্চই ৰাজ্যত নিৰ্মাণৰ অনুমতি প্ৰক্ৰিয়াক অধিক দক্ষ, স্বচ্ছ আৰু দুৰ্নীতি মুক্ত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। মন্ত্ৰীগৰাকীয়ে কয়, যে এই ব্যৱস্থাই নগৰ পৰিকল্পনাত দায়বদ্ধতা বৃদ্ধি কৰি নাগৰিক আৰু ব্যৱসায়ৰ বাবে অসুবিধামুক্ত অভিজ্ঞতা নিশ্চিত কৰিব। এই মঞ্চৰ জৰিয়তে গৃহ নিৰ্মাণৰ অনুমতি প্ৰক্ৰিয়া অধিক সূচল আৰু দুৰ্নীতিমুক্ত হ'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে অনুমোদনৰ উপৰি নিৰ্মাণৰ স্থিতিৰ বিষয়ে অৱগতকৰণ, প্লিনথ স্তৰৰ নিৰীক্ষণ আৰু অধিকাৰ প্ৰমাণ পত্ৰৰ দৰে সেৱাও একেখন মঞ্চত উপলব্ধ হ'ব। যোৰহাট, ডিব্ৰুগড়, নগাঁও, শিলচৰ, নলবাৰী, টিহু, ৰঙিয়া, বৰপেটা, ধুবুৰী, বঙাইগাঁও আদিকে ধৰি ৫০ হাজাৰ বা ইয়াৰ অধিক জনসংখ্যাৰ চহৰসমূহত এই ব্যৱস্থা মুকলি কৰা হৈছে। এই ব্যৱস্থা শীঘ্ৰেই ৰাজ্যৰ আন চহৰসমূহলৈ সম্প্ৰসাৰিত কৰা হ'ব।

০০০০০

মণিপুৰত ৰাষ্ট্ৰপতিৰ শাসন বলৱৎ কৰা হৈছে। মুখ্যমন্ত্ৰী এন বীৰেণ সিঙে পদ ত্যাগ কৰাৰ পাছত বিজেপিয়ে পুনৰ চৰকাৰ ব্যৱস্থা গ্ৰহণ নকৰাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যপালৰ প্ৰতিবেদনৰ ভিত্তিত ৰাজ্যখনত ৰাষ্ট্ৰপতিৰ শাসন বলৱৎ কৰা হৈছে। গৃহ মন্ত্ৰালয়ে এই সন্দৰ্ভত আনুষ্ঠানিক অধিসূচনা জাৰি কৰিছে। অধিসূচনাত এই বুলি কোৱা হৈছে যে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে মণিপুৰৰ ৰাজ্যপালৰ পৰা এখন প্ৰতিবেদন লাভ কৰিছিল আৰু এই প্ৰতিবেদন চালি-জাৰি চাই সংবিধানৰ ৩৫৬ অনুচ্ছেদ অনুসৰি ৰাজ্যখনত

ৰাষ্ট্ৰপতিৰ শাসন বলৱৎ কৰা হৈছে। ৰাজ্যখনৰ বিধানসভা সাময়িকভাৱে অকামিলা কৰি ৰখা হৈছে বুলি গৃহ মন্ত্ৰালয়ৰ অধিসূচনাত প্ৰকাশ কৰা হৈছে।

০০০০০

লখিমপুৰ জিলাৰ বগী নদী আৰক্ষী থানাৰ অন্তৰ্গত অসম-অৰুণাচল প্ৰদেশ সীমান্তৰ দুলুং সংৰক্ষিত বনাঞ্চলৰ সমীপত ঝিলি নদীত উদ্ধাৰ হোৱা প্ৰায় ৫০০ কিলোগ্ৰাম ওজনৰ সক্ৰিয় বোমাটো কালি দুপৰীয়াৰ ভাগত নিষ্ক্ৰিয় কৰা হয়। তেজপুৰৰ পৰা অহা বায়ুসেনাৰ বোমা বিশেষজ্ঞই কাৰো একো হানি-বিঘিনি নোহোৱাকৈ সফলতাৰে এই বৃহৎ আকাৰৰ শক্তিশালী বোমাটো নিষ্ক্ৰিয় কৰে। দুলুং মুখত বায়ুসেনা বাহিনীৰ নিয়মীয়া অনুশীলনস্থলীৰ সমীপত যোৱা বছৰৰ আগষ্টত এই বৃহৎ বোমাটো উদ্ধাৰ হৈছিল। বোমাটো প্ৰত্যক্ষ কৰি স্থানীয় লোকে আৰক্ষীক খবৰ দিয়াৰ পিছতে ১২ আৰু ১৩ ফেব্ৰুৱাৰীত বোমাটো নিষ্ক্ৰিয় কৰিবলৈ দুটা দিনৰ সময় হৈছিল।

০০০০০

দিল্লীৰ দ্বাৰকাৰ যশোভূমিত চলি থকা ভাৰতীয় শক্তি সপ্তাহ ২০২৫ত কালি অসম সন্দৰ্ভত এটা বিশেষ সত্ৰৰ আয়োজন কৰা হয়। এই সত্ৰত অসম পেট্ৰ'কেমিকেলছ লিমিটেডৰ অধ্যক্ষ বিপুল চন্দ্ৰ ডেকাৰ নেতৃত্বত যোৱা এটা দলে বিনিয়োগৰাকীসকলক বিশেষকৈ হাইড্ৰোকাৰ্বন আৰু আনুসঙ্গিক খণ্ডৰ কাণ্ডাৰীসকলক এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত অংশগ্ৰহণ কৰিবলৈ আমন্ত্ৰণ জনায়। অসম সম্পৰ্কীয় এই সত্ৰত বিনিয়োগ, ব্যৱসায় আৰু সংবাদ জগতৰ প্ৰায় ১৫০গৰাকী অংশগ্ৰহণকাৰীয়ে ভাগ লয়। অসমত পেট্ৰ'কেমিকেল খণ্ডৰ বিনিয়োগৰ সুযোগৰ বিষয়ে বক্তাসকলে আলোকপাত কৰে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই কাইলৈ নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাতত **মই ৰেডিঅ' কিয় শুনো** শীৰ্ষক এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ অধ্যাপক, সমাজকৰ্মী, প্ৰাক্তন উগ্ৰপন্থী নেতা আৰু সৰ্বসাধাৰণ ৰাইজে ৰেডিঅ'ৰ সৈতে তেওঁলোকৰ সম্পৰ্ক আৰু আকাশবাণীৰ পৰা তেওঁলোকৰ প্ৰত্যাশা সম্পৰ্কত মন্তব্য আগবঢ়াব। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন ৰাজীৱ লোচন বৰঠাকুৰৰ।

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাতো অনাতাঁৰ মাধ্যম সম্পৰ্কত বিভিন্ন জনৰ মতামত আগবঢ়াব।

০০০০০

অসমে উত্তৰখণ্ডত অনুষ্ঠিত ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহত ৩৪টা পদকেৰে অভিযান সামৰিছে। অসমে কালি নেট বলৰ মিক্সড শাখাৰ গ্ৰুপ পৰ্যায়ৰ পৰা বিদায় লোৱাৰ লগে লগে অসমৰ পদক ৩৪টাতে সীমিত থাকে। অসমৰ খেলুৱৈসকলে এইবাৰৰ প্ৰতিযোগিতাত তিনিটা সোণ, ১৫টা ৰূপ আৰু ১৬টা ব্ৰঞ্জৰ পদক জয়ী কৰিবলৈ সমৰ্থ হয়। অসম এই পৰ্যন্ত প্ৰতিযোগিতাৰ পদক তালিকাত ২৪ সংখ্যক স্থানত আছে। ছাৰ্ভিছেছে ৬৭টা সোণ, ২৬টা ৰূপ আৰু ২৭টা ব্ৰঞ্জৰ পদকেৰে প্ৰথম স্থানত আছে। মহাৰাষ্ট্ৰ ৫৩টা সোণ, ৬৯টা ৰূপ আৰু ৭১টা ব্ৰঞ্জৰ পদকেৰে দ্বিতীয় আৰু হাৰিয়ানা ৪৬টা সোণ, ৪৬টা ৰূপ আৰু ৫৮টা ব্ৰঞ্জৰ পদকেৰে তৃতীয় স্থান আছে। আজি ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহৰ সামৰণি পৰিব। হাল্ডোৱানিৰ ইন্দিৰা গান্ধী ষ্টেডিয়ামত সামৰণি অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই কাইলৈ নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাতত **মই ৰেডিঅ' কিয় শুনো** শীৰ্ষক এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ অধ্যাপক, সমাজকৰ্মী, প্ৰাক্তন উগ্ৰপন্থী নেতা আৰু সৰ্বসাধাৰণ ৰাইজে ৰেডিঅ'ৰ সৈতে তেওঁলোকৰ সম্পৰ্ক আৰু আকাশবাণীৰ পৰা তেওঁলোকৰ প্ৰত্যাশা সম্পৰ্কত মন্তব্য আগবঢ়াব। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন ৰাজীৱ লোচন বৰঠাকুৰৰ।

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাতো অনাতাঁৰ মাধ্যম সম্পৰ্কত বিভিন্ন জনৰ মতামত আগবঢ়াব।

০০০০০০

ড° হিমন্ত বিশ্ব শৰ্মাই দেশৰ শ্ৰেষ্ঠ মুখ্যমন্ত্ৰীৰ তালিকাত স্থান লাভ কৰা, কেইবা দিন ধৰি ৰাজ্যৰ চৰকাৰী ই-অফিচ ব্যৱস্থাপনা অচল হৈ পৰা, মণিপুৰত ৰাষ্ট্ৰপতি শাসন বলৱৎ, সাংসদ গৌৰৱ গগৈ আৰু তেওঁৰ পত্নীৰ বিৰুদ্ধে ৰাষ্ট্ৰদ্ৰোহৰ অভিযোগ উত্থাপিত হোৱাকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰিকাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

দেশৰ আগশাৰীৰ সংবাদ প্ৰতিষ্ঠান **ইণ্ডিয়া টুডেৰ মুড অব দ্যা নেচন** শীৰ্ষক দেশজুৰি চলোৱা এটা সমীক্ষাত ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দেশৰ শ্ৰেষ্ঠ মুখ্যমন্ত্ৰীসকলৰ তালিকাত স্থান লাভ কৰিছে। এই বাতৰিটো **অসমীয়া খবৰ, নিয়মীয়া বাৰ্তা** আৰু **দৈনিক অসম** কাকতে ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

যোৱা ৪ দিনে ৰাজ্যৰ ই-অফিচ ব্যৱস্থাপনা বিকল হৈ থকা বাতৰি এটা **অসমীয়া প্ৰতিদিন** কাকতে ২৪ ঘণ্টীয় ই-গভৰ্ণেঞ্চৰ চৰকাৰৰ প্ৰতিশ্ৰুতি অসাৰ, ছাৰ্ভাৰ ডাউন, চাৰিদিনে অচল ৰাজ্যৰ ই-অফিচ ব্যৱস্থাপনা, **দৈনিক অগ্ৰদূত** কাকতে ৰাজ্যজুৰি স্তব্ধ চৰকাৰী ফাইলৰ কাম শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

মণিপুৰত ৰাষ্ট্ৰপতিৰ শাসন বলৱৎ হোৱাৰ বাতৰিটো **দি চেণ্টিনেল, দ্যা টাইমছ অব ইণ্ডিয়া** আৰু **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

সাংসদ গৌৰৱ গগৈৰ পত্নীৰ বিৰুদ্ধে পাকিস্তানৰ চোৰাং চোৰা সংস্থা আই এছ আইৰ সৈতে জড়িত থকা বাতৰিটোক **দ্যা আছাম ট্ৰিবিউন** কাকতৰ লগতে প্ৰায় আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। **এই শতিকাতে মানৱ সভ্যতাক নতুন ৰূপ দিব কৃত্ৰিম বুদ্ধিমত্তাই** এই শিৰোনামেৰে **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। নতুন শিক্ষা নীতিৰ আধাৰত পোন প্ৰথমবাৰৰ বাবে ৰাজ্যত নম্বৰ বিহীন শিক্ষা ব্যৱস্থা আৰম্ভ হ'ব। এই বাতৰিটোক **দৈনিক জনমভূমি** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এতিয়া আহক, আমি পুনৰ বাতৰিৰ মাজলৈ ওভতি যাও।

ooooo

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী পৰাৰ আৰু পাছলৈ বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

আনহাতে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ২৪ ঘণ্টাত অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, ত্ৰিপুৰা আৰু অৰুণাচল প্ৰদেশৰ ঠাইবিশেষ পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। মিজোৰামৰ বতৰ শুকান হৈ থকাৰ সম্ভাৱনা বুলি আগলি বতৰা দিছে।

ooooo

সমাপ্ত